# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পুনৰ নিৰ্বাচিত হোৱাৰ বাবে ৰাষ্ট্ৰপতি পুটিনে অভিনন্দন জ্ঞাপন কৰে

5 জুন 2024

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ ৰাষ্ট্ৰপতি মমামান্য শ্ৰীযুত ভ্লাডিমিৰ পুটিনৰ পৰা টেলিফোনিক বাৰ্তালাপ লাভ কৰে। ।

ৰাষ্ট্ৰপতি পুটিনে প্ৰধানমন্ত্ৰীক সাধাৰণ নিৰ্বাচনত তেওঁৰ সফলতাৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে আৰু তেওঁৰ তৃতীয় কাৰ্যকালৰ বাবে শুভকামনা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই সকলো ক্ষেত্ৰতে ভাৰত-ৰাছিয়াৰ বিশেষ আৰু বিশেষাধিকাৰপ্ৰাপ্ত কৌশলগত অংশীদাৰিত্বক অধিক শক্তিশালী কৰাৰ বাবে একেলগে কাম কৰি যাবলৈ সন্মতি প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি পুটিনক 2024 বৰ্ষত BRICSৰ অধ্যক্ষৰ পদত ৰাছিয়াই অধিষ্ঠিত হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই যোগাযোগ বজাই ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে।

**নতুন দিল্লী**
**5 জুন, 2024**